জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৯/২০২১**

**মাজুলীৰ শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰ, শ্ৰীশ্ৰী আউনিআটী সত্ৰ আৰু শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰ দৰ্শন কৰি ৰাজ্যখনৰ জনসাধাৰণৰ কুশল-মংগল কামনা কৰি সেৱা ল'লে মুখ্যমন্ত্ৰীয়ে**

**দিছপুৰ, ১৩ মে' ঃ** মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণৰ পিছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰথম বাৰৰ বাবে মাজুলী জিলা ভ্ৰমণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলীৰ দক্ষিণপাট সত্ৰ দৰ্শন কৰি ৰাজ্যখনৰ জনসাধাৰণৰ কুশল-মংগল কামনা কৰি সেৱা আগবঢ়ায়। শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰ দৰ্শন কালত মুখ্যমন্ত্ৰীয়ে সত্ৰৰ বৰভঁৰালত সংৰক্ষিত ৩৬৫ বছৰীয়া অক্ষয় বন্তি গছি দৰ্শন কৰে। ৰাজ্যখনৰ আৰ্থিক অৱস্থা যাতে সদায়ে স্বচ্ছল হৈ থাকে সেই কামনাৰে সত্ৰাধিকাৰ শ্ৰীশ্ৰী ননীগোপাল দেৱগোস্বামীয়ে মুখ্যমন্ত্ৰীৰ হাতত প্ৰতীকী ৰূপত কেইটামান ৰজা দিনীয়া ৰূপৰ মুদ্ৰাও প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে লগতে দক্ষিণপাট সত্ৰৰ নিজা তাঁতশালত প্ৰস্তুত কৰি উলিওৱা বিষ্ণুৰ চতুৰ্বিংশতিতম অৱতাৰ চিত্ৰায়ন কৰা বস্ত্ৰভাগিও দৰ্শন কৰে। দক্ষিণপাট সত্ৰ দৰ্শন কালত মুখ্যমন্ত্ৰীয়ে সত্ৰৰ সত্ৰাধিকাৰ গৰাকীৰ লগতে সত্ৰৰ অন্যান্য বিষয়ববীয়া তথা ভকত-বৈষ্ণৱৰ সৈতেও মত-বিনিময় কৰে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে মাজুলীৰ শ্ৰীশ্ৰী আউনিআটী সত্ৰ দৰ্শন কৰি ৰাজ্যখনৰ জনসাধাৰণৰ কুশল-মংগল কামনা কৰি সেৱা লয়। সত্ৰখন পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পিতাম্বৰ দেৱগোস্বামীৰ আশিষ নিৰ্মালি গ্ৰহণ কৰাৰ লগতে ভকত-বৈষ্ণৱ সকলৰ সৈতে মত-বিনিময় কৰে।

তাৰোপৰি মুখ্যমন্ত্ৰীয়ে মাজুলীৰ শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰ দৰ্শন কৰি ৰাজ্যবাসীৰ মংগলাৰ্থে সেৱা আগবঢ়ায়। সত্ৰখন দৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দ্দন দেৱগোস্বামীৰ লগতে ভকত-বৈষ্ণৱসকলৰ সৈতে মত-বিনিময় কৰে। উত্তৰ কমলাবাৰী সত্ৰ দৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে পদ্মশ্ৰী গোপীৰাম বৰগায়ন বুঢ়াভকতৰ সৈতেও বাৰ্তালাপত মিলিত হয়।

মুখ্যমন্ত্ৰীয়ে মাজুলীৰ এই সত্ৰকেইখন দৰ্শনৰ সময়ত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১৩/০৫/২০২১**